**NSD NEWS BULLETIN**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-10-2026
**Time :** 1340 Hrs.

***Assamese MIDDAY Bulletin***
**::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণৰ আস্থা আৰু লাখ লাখ দলীয় কৰ্মীৰ সমৰ্পণ তেওঁৰ শক্তিৰ উৎস বুলি প্ৰকাশ কৰিছে।

২। লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনসেৱাৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে শুভেচ্ছা জনাইছে।

৩। আজি বিশ্ব কপাহ দিৱস। এই উপলক্ষে কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে কপাহ খেতিৰ সৈতে জড়িত কৃষকসকলক শুভেচ্ছা জনায়। *আৰু*

৪। বিশ্বজুৰি দেখা দিয়া অনিশ্চয়তাৰ মাজত বৰ্ধিত মুদ্ৰাস্ফীতি হ্ৰাস কৰাৰ বাবে আজি ভাৰতীয় ৰিজাৰ্ভ বেংকে ৰেপ'ৰেট ২৫ বেছিচ পইণ্ট বৃদ্ধিৰে ৫ দশমিক ৫ শতাংশ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণৰ আস্থা আৰু লাখ লাখ দলীয় কৰ্মীৰ সমৰ্পণ তেওঁৰ শক্তিৰ উৎস বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি বিকশিত ভাৰত সংকল্প সভাত ভাষণ দি শ্ৰী মোদীয়ে কয়, যে তেওঁ আজি পুৱা শ্ৰী বিনায়ক মন্দিৰ দৰ্শন কৰি দেশ তথা ১৪০ কোটি নাগৰিকৰ বাবে প্ৰাৰ্থনা কৰে। তেওঁ লগতে অতি নিষ্ঠাৰে নিৰন্তৰ জনসাধাৰণৰ বাবে সেৱা কৰি যাব পৰাকৈ ভগৱানক বল আৰু শক্তি প্ৰদান কৰিবলৈ প্ৰাৰ্থনা জনায়। প্ৰধানমন্ত্ৰীয়ে কয়, যে বিগত ২৫ বছৰত লাভ কৰা জনসাধাৰণৰ আস্থা আৰু এই সময়ছোৱাত লাভ কৰা অভিজ্ঞতা হৈছে বৃহৎ সম্পত্তি। শ্ৰী মোদীয়ে দেশৰ বাবে বৃহৎ লক্ষ্য নিৰ্ধাৰণৰ এয়াই সময় বুলি উল্লেখ কৰে। জনসাধাৰণৰ এই অবিচল বিশ্বাস আৰু সমৰ্থন তেওঁৰ সমগ্ৰ ৰাজনৈতিক যাত্ৰাৰ বৈশিষ্ট বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে বৰ্তমানৰ চৰকাৰৰ নীতিয়ে জনসাধাৰণৰ সমস্যা সমাধানত গুৰুত্ব আৰোপ কৰিছে।

বাইট (মোদী-১)

শ্ৰী মোদীয়ে কয়, যে বিগত ১২ বছৰত দেশৰ পৰিস্থিতি সম্পূৰ্ণৰূপে সলনি হৈছে। পূৰ্বে আমদানি বৃদ্ধিৰ বাবে প্ৰচেষ্টা চলোৱাৰ বিপৰীতে বৰ্তমান ভাৰতে নতুন ৰপ্তানি অভিলেখ গঢ়িছে। তেওঁ কয়, যে ভাৰতে পূৰ্বে নিজৰ প্ৰয়োজনৰ বাবে ম'বাইল ফোন আমদানি কৰিছিল। কিন্তু বৰ্তমান ভাৰতত নিৰ্মিত ম'বাইল ফোনে গোলকীয় বজাৰত শক্তিশালী স্থিতি লাভ কৰিছে। শ্ৰী মোদীয়ে কৃষিক ভাৰতৰ ৰূপান্তৰৰ আন এটা উল্লেখনীয় উদাহৰণ বুলি প্ৰকাশ কৰি কয়, যে স্বাধীনতাৰ পাছত পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি ২০১৫ৰ পৰা ২০২৫ৰ দশকত দেশ সৰ্বাধিক কৃষিজাত বিকাশৰ সাক্ষী হৈছে। স্পষ্ট অভিপ্ৰায় আৰু সুপৰিকল্পিত নীতিৰ জৰিয়তে এনেধৰণৰ পৰিৱৰ্তন সম্ভৱ বুলি তেওঁ উল্লেখ কৰে।

বাইট (মোদী-২)

প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ২০০১ চনৰ ৭ অক্টোবৰত গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণৰ সময়ত তেওঁ কেতিয়াও এনেধৰণৰ মাইলৰ খুঁটিত উপনীত হোৱাৰ কল্পনা কৰা নাছিল। তেওঁ উল্লেখ কৰে যে চৰকাৰৰ মুৰব্বী হিচাপে নিৰন্তৰ সেৱা আগবঢ়োৱাৰ আজি ২৫ বছৰ সম্পূৰ্ণ হ'ল। প্ৰধানমন্ত্ৰী মোদীয়ে গণতন্ত্ৰৰ ওপৰত অপৰিসীম বিশ্বাস ৰখা দেশৰ জনসাধাৰণ, দল তথা সকলো ৰাজনৈতিক সহযোগীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

বাইট (মোদী-৩)

অনুষ্ঠানত ভাষণ দি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাক তেওঁৰ জীৱনৰ একমাত্ৰ লক্ষ্য কৰি লৈছে আৰু ৰাজনীতিক দেশসেৱা হিচাপে মানি আহিছে। তেওঁ প্ৰধানমন্ত্ৰীক ২৫ বছৰীয়া বিৰামহীন দেশসেৱাৰ বাবে অভিনন্দন জনায়। ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে কয়, যে শ্ৰী মোদীয়ে দৰিদ্ৰ, যুৱ, কৃষক আৰু মহিলাক মুখ্য কৰি চৰকাৰী আঁচনিসমূহ গঠন আৰু ৰূপায়ণ কৰিছে। বিগত ২৫ বছৰত তেওঁ ১৪০ কোটি ভাৰতীয়ৰ জীৱনলৈ উন্নয়ন, বিশ্বাস আৰু আত্মসন্মান অনাৰ বাবে নিৰন্তৰ কাম কৰি আহিছে বুলি শ্ৰী নবীনে উল্লেখ কৰে। বিজেপিৰ সভাপতিগৰাকীয়ে লগতে কয়, যে গোলকীয় প্ৰত্যাহ্বান সত্বেও প্ৰধানমন্ত্ৰী মোদীয়ে সমাজৰ দৰিদ্ৰ আৰু প্ৰান্তীয় লোকসকলৰ কল্যাণৰ বাবে কাম কৰি আহিছে। শ্ৰী নবীনে মহিলা সৱলীকৰণৰ ক্ষেত্ৰত চৰকাৰৰ পদক্ষেপসমূহৰ বিশেষকৈ শৌচাগাৰ নিৰ্মাণ আৰু উজ্বলা আঁচনিৰ প্ৰশংসা কৰি কয়, যে এনেধৰণৰ ব্যৱস্থাই মহিলাৰ নিৰাপত্তা, মৰ্যাদা আৰু আত্মসন্মান বৃদ্ধি কৰিছে।

(বাইট-নবীন)

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ মুৰব্বী হিচাপে ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে নতুন দিল্লীত অনুষ্ঠিত বিকশিত ভাৰত সংকল্প সভাত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা বিজেপিৰ নেতা-কৰ্মীসকলে ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ লয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াকে ধৰি কেইবাগৰাকীও বিধায়কে গুৱাহাটীৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে বিকশিত ভাৰত সংকল্প সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই তেওঁৰ ভাষণত বিগত ২৫ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সু-শাসনৰ বিষয়ে উল্লেখ কৰে।

০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনসেৱাৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত অধ্যক্ষগৰাকীয়ে কয় যে গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে শ্ৰীমোদীৰ দেশৰ প্ৰধানমন্ত্ৰী হোৱালৈ কৰা এই যাত্ৰাক ৰাষ্ট্ৰৰ সেৱাৰ প্ৰতি উৎসৰ্গাৰ মনোভাৱ, সুপ্ৰশাসন আৰু জনকল্যাণৰ প্ৰতীকৰূপে চিহ্নিত হৈছে। শ্ৰীবিৰলাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১০ চনত গুজৰাটত গ্ৰহণ কৰা সংবিধান গৌৰৱ যাত্ৰা আৰু ২০১৫ৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত কৰি অহা সংবিধান দিৱসৰ জৰিয়তে সংবিধানৰ সন্মান আৰু সাংবিধানিক প্ৰতিষ্ঠানসমূহ মৰ্যাদা বৃদ্ধিৰ বাবে নিৰলসভাৱে প্ৰচেষ্টা চলাই আহিছে। লোকসভাৰ অধ্যক্ষগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী মোদীৰ গতিশীল নেতৃত্বত দেশে শক্তিশালী আৰু আত্মসন্মান লাভ কৰাৰ লগতে গোলকীয় মঞ্চত প্ৰতিষ্ঠিত হৈছে। অধ্যক্ষ শ্ৰীবিৰলাই প্ৰধানমন্ত্ৰীৰ শ্ৰীমোদীৰ সুস্বাস্থ্য, দীৰ্ঘায়ু আৰু সক্ৰিয় জীৱন কামনা কৰে।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজিৰ দিনটোক সোণালী আৰু ঐতিহাসিক বুলি অভিহিত কৰিছে। গুৰুগ্ৰামত আজি বিকশিত ভাৰত সংকল্প সভা সেৱা জ্যোতি যাত্ৰাত দিয়া ভাষণত তেওঁ কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ প্ৰত্যাহাৰ, নক্সালবাদ নিৰ্মূল আৰু দেশৰ আন্তঃগাঁথনি সৰ্বোত্তম পৰ্যায়লৈ উন্নীত হোৱাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্য সাধন হৈছে। তেওঁ কয়, যে আজি এই অভিযানৰ অংশ হিচাপে জোৰ সমদল উলিওৱা হ'ব আৰু সেৱা জ্যোতি যাত্ৰা শীৰ্ষক এই কাৰ্যসূচীত যুৱ প্ৰজন্মৰ প্ৰতিনিধিসকলে অংশ ল'ব। শ্ৰী শ্বাহে অধিক সংখ্যক লোকক এই কাৰ্যসূচীত অংশ ল'বলৈ আহ্বান জনায়।

(বাইট-শ্বাহ)

০০০০

আজি বিশ্ব কপাহ দিৱস। গোলকীয় অৰ্থনীতি, সামাজিক আৰু পৰিৱেশত কপাহৰ গুৰুত্বৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি প্ৰতিবছৰে ৭ অক্টোবৰত এই দিৱস পালন কৰি অহা হৈছে। এইবেলি এই দিৱসৰ বিষয়বস্তু হৈছে Cotton for Good: Building Prosperity Through Trade, Transformation and Partnership। এটা ভিডিঅ' বাৰ্তা সামাজিক মাধ্যমত শ্বেয়াৰ কৰি কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে এই খণ্ডৰ সৈতে জড়িত হৈ থকা প্ৰতিগৰাকীকে কপাহ দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয় যে এই দিৱসৰ জৰিয়তে কপাহ খেতিয়কসকলক সন্মান জনোৱা হয়। কপাহৰ কৃষিকাৰ্যৰে কৃষকসকলে বিভিন্ন খণ্ডত বিশেষকৈ সূতা মিল, বস্ত্ৰ উৎপাদন গোট আৰু বস্ত্ৰ কাৰখানাসমূহত সংস্থাপনৰ সৃষ্টি কৰিছে। তেওঁ কয় যে দেশৰ ৬০ লাখ খেতিয়ক কপাহ উৎপাদনৰ ক্ষেত্ৰখনত নিয়োজিত হৈ আছে। একেদৰে হস্ত শিল্পজাত উদ্যোগত অসংখ্য ক্ষুদ্ৰ উদ্যোগী জড়িত হৈ থকাৰ লগতে তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ দেশত বিক্ৰী হোৱাৰ লগতে বিদেশলৈও ৰপ্তানি কৰা হয়।

০০০০

বিশ্বজুৰি দেখা দিয়া অনিশ্চয়তাৰ মাজত বৰ্ধিত মুদ্ৰাস্ফীতি হ্ৰাস কৰাৰ বাবে আজি ভাৰতীয় ৰিজাৰ্ভ বেংকে ৰেপ'ৰেট ২৫ বেছিচ পইণ্ট বৃদ্ধিৰে ৫ দশমিক ৫ শতাংশ কৰিছে। দুমহীয়া মুদ্ৰানীতি ঘোষণা কৰি আৰ বি আইৰ গৱৰ্ণৰ সঞ্জয় মালহোত্ৰাই কয়, যে মুদ্ৰা নীতি সমিতিয়ে সৰ্বসন্মতভাৱে ৰেপ'ৰেট বৃদ্ধিৰ সিদ্ধান্ত লৈছে। ইয়াৰ আগেয়ে ২০২৩ চনৰ ফেব্ৰুৱাৰীত ৰেপ'ৰেট ৬ দশমিক ৫ শতাংশলৈ বৃদ্ধি কৰা হৈছিল বুলি গৱৰ্ণৰগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

সমাপ্ত